# গোষ্ঠী নিৰপেক্ষ আন্দোলন

## ইতিহাস

**পাঠভিত্তিক অনুশীলনীৰ প্ৰশ্ন আৰু উত্তৰ**

**প্ৰশ্ন ১। অতি চমু উত্তৰ দিয়া :**

(ক) বলছেভিক বিপ্লব কোন চনত সংঘটিত হৈছিল ?

**উত্তৰ :-** বলছেভিক বিপ্লৱ ১৯১৭ চনত সংঘটিত হৈছিল।

(খ) বান্দুং সম্মিল কোন চনত অনুষ্ঠিত হৈছিল ?

উত্তৰ:- বান্দুং সন্মিলন ১৯৫৫ চনৰ এপ্ৰিল মাহৰ ১৭-ৰপৰা ২৪ তাৰিখলৈ অনুষ্ঠিত হৈছিল।

(গ) উত্তৰ আটলান্টিক সন্ধি সংগঠন কোন চনত গঢ়ি উঠিছিল ?

**উত্তৰ :-** ১৯৪৯ চনৰ ৪ এপ্ৰিল তাৰিখে উত্তৰ আটলান্টিক সন্ধি সংগঠন গঢ়ি উঠিছিল।

(ঘ) ওৱাৰশ্ব’ সন্ধি সংগঠন কোন চনত গঢ়ি উঠিছিল ?

**উত্তৰ :-** ১৯৫৫ চনৰ মেৰ ১৪ তাৰিখে ওৱাৰ্শ্ব নদি সংগঠন গঢ়ি উঠিছিল।

(ঙ) কোন চনত ছোভিয়েট ৰাচিয়াই আণবিক বোমা তৈয়াৰ কৰি পৰীক্ষা চলাইছিল ?

**উত্তৰ :-** ১৯৪৯ চনৰ ১ অক্টোৱৰত ছোভিয়েট ৰাচিয়াই তাণবিক বোমা তৈয়াৰ কৰি পৰীক্ষা চলাইছিল।

(চ) কোন চনত চীনত কমিউনিষ্ট শাসন প্ৰবৰ্তিত হৈছিল ?

**উত্তৰ :-** ১৯৪৯ চনৰ ১ অক্টোৱৰত চীনত কমিউনিষ্ট শাসন ব্যৱস্থা প্ৰৱৰ্তিত হৈছিল।

(ছ) কোন চনত কিউবাত কমিউনিষ্ট শাসন প্ৰবৰ্তিত হৈছিল ?

**উত্তৰ :-** ১৯৫৯ চনত কিউবাত কমিউনিষ্ট শাসন প্ৰৱৰ্তিত হৈছিল।

(জ) কোন চনত আমেৰিকাই হাইড্ৰ'জেন বোমা তৈয়াৰ কৰিছিল ?

**উত্তৰ :-** ১৯৫২ চনত আমেৰিকাই হাইড্ৰ'জেন বোমা তৈয়াৰ কৰিছিল।

(ঝ) বান্দুং সন্মিলনত এছিয়া আৰু আফ্ৰিকাৰ মুঠতে কিমানখন ৰাষ্ট্ৰ অংশগ্ৰহণ কৰিছিল ?

**উত্তৰ :-** বান্দুং সন্মিলনত এছিয়া আৰু আফ্ৰিকাৰ মুঠতে ২৯ খন ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিছিল। ইয়াৰে ২৩ খন আছিল এছিয়া আৰু ৬ খন আফ্ৰিকা মহাদেশৰ অন্তৰ্গত ৰাষ্ট্ৰ।

(ঞ) বান্দুং সন্মিলনত অংশগ্ৰহণ কৰা ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীজনৰ নাম কি ?

**উত্তৰ :-** বান্দুং সন্মিলনত অংশগ্ৰহণ কৰা ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীজনৰ নাম আছিল জৱাহৰলাল নেহৰু।

(ট) কোন চনত ভাৰতবৰ্ষত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীৰ্ষ সন্মিলন এখন অনুষ্ঠিত হৈছিল ?

**উত্তৰ :-** ১৯৮৩ চনত ভাৰতবৰ্ষত গোষ্ঠী নিৰপেক্ষ আন্দোলনর শীৰ্ষ সন্মিলন এখন অনুষ্ঠিত হৈছিল।

(ঠ) ভাৰতবৰ্ষৰ কোন ঠাইত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীৰ্ষ সন্মিলন এখন অনুষ্ঠিত হৈছিল ?

**উত্তৰ :-** ভাৰতবৰ্ষৰ নতুন দিল্লীত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীৰ্ষ সন্মিলন এখন অনুষ্ঠিত হৈছিল।

(ঙ) কোন চনত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰথমখন সন্মিলন অনুষ্ঠিত হৈছিল ?

**উত্তৰ :-** ১৯৬১ চনত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰথম সন্মিলনখন অনুষ্ঠিত হৈছিল।

(ঢ) কোন দেশত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰথমখন সন্মিলন অনুষ্ঠিত হৈছিল ?

**উত্তৰ :-** যুগোশ্লাভিয়াৰ ৰাজধানী বেলগ্ৰেড চহৰত গোষ্ঠী নিৰগেক্ষ আন্দোলনৰ প্ৰথমখন সন্মিলন অনুষ্ঠিত হৈছিল।

**প্ৰশ্ন ২। চমু টোকা লিখা :**

১। শীতল যুদ্ধৰ সূচনা।

২। শীৰ্ষ ক্ষমতাৰ অধিকাৰী দেশ।

৩। হেৰী এছ. ট্ৰুমেন।

। উত্তৰ আটলান্টিক সন্ধি

৫। ওৱাৰশ্ব সন্ধি সংগঠন।

**উত্তৰ :- ১।শীতল যুদ্ধৰ সূচনা :-** শীতল যুদ্ধ বোলা এই ব্যাক্যাংশটোৰ স্ৰষ্টা হ'ল ওৱাৰ্ণ্টাৰ লিপমেন। তেওঁ দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাষ্ট্ৰৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক ইতিহাসত এই শীতল যুদ্ধ বোলা বাক্যাংশৰ সৃষ্টি কৰিছে৷ সাধাৰণতে বিশ্বৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক ঘটনাৱলী আৰু সেইবোৰক কেন্দ্ৰ কৰি সৃষ্টি হোৱা কূটনৈতিক সম্পৰ্কৰ বিচাৰ-বিশ্লেষণ কৰা বুজাবৰ বাবে এই শীতল যুদ্ধ শব্দটোৰ প্ৰয়োগ কৰা হয়। কোনো কোনো সমালোচকে উক্ত বাক্যাংশটোৰ স্ৰষ্টা হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাৰ্ণাড মানেছ বাৰুখ বোলা ব্যক্তিজনৰ নামো ল'ব খোজে।

আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক সম্পৰ্কত শীতল যুদ্ধৰ ধাৰণাটো হ'ল প্ৰত্যক্ষভাৱে সামৰিক সংঘৰ্ষত চামিল নোহোৱাকৈ প্ৰতিনিয়ত ৰাজনৈতিক মতাদৰ্শগত সংগ্ৰামত আৰু প্ৰতিৰক্ষামূলক আৰু আক্ৰমণাত্মক দিশত খৰতকীয়াকৈ ব্যৱহাৰ কৰিব পৰাকৈ নিত্য নতুন সামৰিক উত্তেজনা আৰু প্ৰতিযোগিতাত লিপ্ত থকাটো। আন্তঃৰাষ্ট্ৰীয় কূটনৈতিক সম্পৰ্কৰ বিশেষজ্ঞ এজনে শীতল যুদ্ধৰ এইদৰে দাঙি ধৰিছে–"a state of intensive compitition, political, economic and ideological, which yet falls become the threshold of armed conflict between states." প্ৰকৃততে ক'বলৈ গলে শীতল যুদ্ধ হ'ল এফালে বিশ্বৰ পুঁজিবাদী ৰাষ্ট্ৰসমূহৰ হৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আনফালে ছোভিয়েট ৰাচিয়াৰ নেতৃত্বত পূৰ্ব ইউৰোপৰ কমিউনিষ্ট দেশসমূহৰ মাজত গঢ়ি উঠা ৰাজনৈতিক মতাদৰ্শগত সংগ্ৰাম আৰু সামৰিক উত্তেজনা আৰু সংঘৰ্ষ।

বিভিন্ন ঐতিহাসিক আৰু বিশ্ব ৰাজনীতিৰ বিশেষজ্ঞৰ মতে ১৯১৭ চনৰ বলছেভিক বিপ্লৱৰ পিছৰপৰাই বিশ্ব ৰাজনীতিত শীতল যুদ্ধৰ সূচনা হয়।

**২। শীৰ্ষ ক্ষমতাৰ অধিকাৰী দেশ :-** দ্বিতীয় বিশ্বযুদ্ধত লিপ্ত থকা দেশসমূহৰ ভিতৰত যুদ্ধ সামৰণি পৰাৰ পিছত কেৱল দুখন দেশহে শীৰ্ষ ক্ষমতাৰ অধিকাৰী দেশ হিচাপে পৰিগণিত হয়। সেই দেশদুখন হৈছে ছোভিয়েট ৰাছিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। প্ৰথম বিশ্বযুদ্ধৰ শেষৰ পিনে অৰ্থাৎ ১৯১৭ চনত ৰুছ দেশত সংঘটিত হোৱা বলছেভিক বিপ্লৱে পৰৱৰ্তীকালত ছোভিয়েট ৰাচিয়াক বিশ্বৰ শীৰ্ষ ক্ষমতাৰ অধিকাৰী দেশ হিচাপে পৰিগণিত হোৱাত সহায় কৰে। এই বিপ্লৱৰ সময়ত বিশ্বত এক নতুন ৰাজনৈতিক সমীকৰণৰ সূচনা হয়।

প্ৰথম বিশ্বযুদ্ধৰ পিছত বিশ্বৰ শীৰ্ষ ক্ষমতা দখল কৰা আন এখন ৰাষ্ট্ৰ হৈছে আমেৰিকা যুক্তৰাষ্ট্ৰ। এই দেশখন প্ৰথম বিশ্বযুদ্ধত আটাইতকৈ বেছি লাভৱান হৈছিল। যুদ্ধৰ পৰৱৰ্তীকালত বিশ্ব ৰাজনীতিত আমেৰিকাই অতি সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। পূৰ্বৰ ইংলেণ্ডৰ স্থান অধিকাৰ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰই লাহে লাহে বিশ্ব ৰাজনীতিত পুঁজিবাদী শিবিৰৰ নেতৃত্ব ল'বলৈ ধৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমকক্ষৰূপে আৰু সমান্তৰালভাৱে ছোভিয়েট ৰাচিয়াই সমাজবাদী শিৱিৰৰ তথা সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহৰ নেতৃত্ব ল'বলৈ ওলাই গাহে। দ্বিতী। বিশ্বযুদ্ধত ছোভিয়েট ৰাচিয়াই লোৱা ভূমিকাই এফালে মিত্ৰ শক্তিক জয়লাভ কৰাত সহায় কৰিলেও আনফালে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত থকা আন আন শিৱিৰৰ মাজত আতংক আৰু ভয়ৰ সঞ্চাৰ হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধত লিপ্ত থকা বৃহৎ দেশসমূহৰ ভিতৰত যুদ্ধৰ সামৰণি পৰাৰ পিছত কেৱল দুখন ৰাষ্ট্ৰইহে বৃহৎ ৰাষ্ট্ৰৰ মৰ্যদাৰ গণ্ডী চেৰাই শীৰ্ষ ক্ষমতাৰ অধিকাৰী হৈছিল। সেই দুখন ৰাষ্ট্ৰ আছিল আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়া। দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে আমেৰিকা যুক্তৰাষ্ট্ৰ আণৱিক শক্তিৰ অধিকাৰী হয়, হিৰ'চিমা আৰু নাগাছাকিত আণৱিক অস্ত্ৰ ব্যৱহাৰ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ সামৰিক ক্ষমতাৰ পৰিচয় দিয়াৰ লগতে আনকো ভীতি সন্ত্ৰস্ত কৰি বিশ্ব বাজনীতিত নিজৰ আধিপত্য স্থাপন কৰিবলৈ সক্ষম হৈছিল।

**৩। হেৰী এছ. ট্ৰুমেন :-** হেৰী এছ. ট্ৰুমেন আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰপৰা ফেচিষ্ট আব নাজীসকলক পৰাভূত কৰিবলৈ যদিও আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেইনে ছোভিয়েট ৰাচিয়াৰ সৈতে সন্মিলিতভাৱে যুদ্ধ কৰিবলৈ বাধ্য হৈছিল তথাপিও দুয়োটা শিৱিবৰ মাজত সন্দেহ আশংকা আৰু ভয় আঁতৰ হোৱা নাছিল। সেয়েহে সুদূৰ প্ৰাচ্য আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ছোভিয়েটৰ অনুপ্ৰৱেশ প্ৰতিহত কৰিবলৈ এই গৰাকী প্ৰেচিডেণ্টৰ নিৰ্দেশত জাপানৰ হিৰ'চিমা আৰু নাগাচাকি নামে চহৰ দুখনত আণৱিক বোমা নিক্ষেপ কৰা হৈছিল।

মাৰ্কিন প্ৰেচিডেণ্ট ট্ৰুমেন ছোভিয়েট বাচিয়া আৰু কমিউনিষ্ট প্ৰভাৱ প্ৰতিৰোধ কৰিবলৈ গ্ৰীচ আৰু তুৰ্দ্ধৰ বাবে ৪০০ মিলিয়ন ডলাৰৰ আৰ্থিক সাহায্য দিয়াৰ কথা ঘোষণা কৰে। এই আৰ্থিক সাহায্য দিবলৈ মাৰ্কিন কংগ্ৰেছৰ অনুমোদ বিচাৰি দিয়া ভাষণত ট্ৰুমেন কৈছিল; “যিবিলাক মুক্ত আৰু স্বাধীন দেশৰ মানুে অল্পসংখ্যক অস্ত্ৰধাৰী লোকৰ নাইবা বহিৰ্দেশৰ বিপৰীতে প্ৰতিবোধ কাৰ্যত ব্যস্ত, তেনে দেশৰ লোকক সমৰ্থন দিয়াটো মাৰ্কিন যুক্তৰাষ্ট্ৰৰ স্পষ্ট নীতি।” “এই নীতিবোৰক তেওঁৰ নাম অনুযায়ী টু’মেন নীতি বুলি কোৱা হয়।

**৪। উত্তৰ আটলান্টিক সন্ধি আৰু সংগঠন :-** ১৯৪৯ চনৰ এপ্ৰিল ৪ তাৰিখে ওৱাছিংটনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত এক সামৰিক শক্তি  জোঁট সংগঠন কৰা হৈছিল। ইয়, ক উত্তৰ আটলান্টিক সন্ধি সংগঠন (North Atlantic Treaty Organisation, NATO) বুলি কোৱা হয়। বিশ্বৰ পুঁজিবাদী শিৰিবক নেতৃত্ব দিয়া এই সামৰিক শক্তি জোঁটৰ সদস্য ৰাষ্ট্ৰসমুহ হ’ল–ব্ৰিটেইন, ফ্ৰান্স, বেলজিয়াম, ডেনমাৰ্ক, আইছলেণ্ড, ইটালী, হলেণ্ড, নওৱে পৰ্টুগাল, আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰীচ আৰু তুৰস্ক আদি। এই চুক্তিৰ মূল মৰ্ম আছিল সাম্ৰাজ্যবাদী পুঁজিবাদী দেশসমূহৰ মাজত পাৰস্পৰিক সামৰিক সাহায্য আৰু সহযোগিতা বৃদ্ধি কৰাটো।

**৫। ওৱাৰশ্ব’ সন্ধি সংগঠন :-** ১৯৪৯ চনৰ এপ্ৰিল মাহৰ ৪ তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত উত্তৰ আটলান্টিক সন্ধি সংগঠন নামে এটি সামৰিক শক্তি জোঁট সংগঠন ‘কৰা হৈছিল। বিশ্বৰ পুঁজিবাদী শিৰিৰক নেতৃত্ব দিয়া এই সামৰিক শক্তি জেঁ’টত পূৰ্বতে জাৰ্মানি সদস্যভূক্ত হোৱা নাছিল। ১৯৫৫ চনৰ মে’ মাহত পশ্চিম জাৰ্মানীক উত্তৰ আটলান্টিক সন্ধি সংগঠনৰ সদস্যৰূপে স্বীকৃতি দিয়াত ছোভিয়েট বাচিয়াৰ নেতৃত্বত সেই মাহৰ ১৪ তাৰিখে পূৰ্ব ইউৰোপৰ কমিউনিষ্ট ৰাষ্ট্ৰসমূহক লৈ ওৱাৰ্শ্ব’ সন্ধি সংগঠন গঠন কৰা হয়। ইয়াৰ কেইবছৰমান আগতে ছোভিয়েট বাচিয়াৰ উদ্যোগত আৰু নেতৃত্বত ওৱাৰ্শ্ব’ত কমিনফৰ্ম অৰ্থাৎ কমিউনিষ্ট তথ্য সৰবৰাহ কেন্দ্ৰ এটি খোলা হৈছিল।ফ্ৰান্স, ছোভিয়েট বাচিয়া, ইটালী, বুলগেবিয়া, ছেক শ্লোভাকিয়া, হাংগেৰী, পোলেণ্ড, বোমানিয়া, যুগোশ্লাভিয়া আদি দেশব কমিউনিষ্ট দলৰ নেতা সদস্য এই সংগঠনৰ সদস্যভূক্ত হৈছিল।

## ৰচনাধৰ্মী প্ৰশ্ন

### প্ৰশ্ন ১। গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি উঠাৰ ঐতিহাসিক পটভূমি বিশ্লেষণ কৰা।

**উত্তৰ :-** গোষ্ঠী নিবপেক্ষ আন্দোলন বিশ্বৰ কোনো দেশৰে আভ্যন্তৰীণ ৰাজনৈতিক আন্দোলন নাছিল। এই আন্দোলন আছিল বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত প্ৰচলিত কূটনৈতিক সম্পৰ্কৰ ক্ষেত্ৰত দেখা দিয়া এক নতুন সমীকৰণ, পদ্ধতি আৰু বিপ্লৱ। এই আন্দোলনক

কূটনৈতিক বিপ্লৱ বুলিও ক'ব পাৰি। এই বিপ্লৱৰ গুৰি ধৰিছিল ব্ৰিটিছ সাম্ৰাজ্যবাদৰ কৱলৰপৰা সদ্য মুক্তিপ্ৰাপ্ত দেশ ভাৰতবৰ্ষই। এই আন্দোলনৰ এক ঐতিহাসিক পটভূমি আছিল। প্ৰথম বিশ্বযুদ্ধৰ সময়ৰপৰাই বিশ্বৰ ৰাজনৈতিক মঞ্চত যিবিলাক ঘটনা-পৰিঘটনা সংঘটিত হৈছিল, এই ঘটনা পৰিঘটনাই এই পটভূমিটো তৈয়াৰ কৰি আনিছিল।

প্ৰথম বিশ্বযুদ্ধৰ আগতে জাৰ্মানী, অস্ট্ৰিয়া, হাংগেৰী, ফ্ৰান্স, ইংলেণ্ড আদি ৰাষ্ট্ৰ বিশ্বৰ বৃহৎ শক্তিৰূপে পৰিগণিত আছিল। যুদ্ধৰ পাছত ব্ৰিটেইনৰ লগতে ছোভিয়েট ৰাচিয়া, ফ্ৰান্স আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ বৃহৎ শক্তিত পৰিগণিত হ'ল। জাৰ্মানী সম্পুৰ্ণৰূপে ধ্বংসপ্ৰাপ্ত হ'ল, অষ্ট্ৰিয়া, হাংগেৰী বিভক্ত আৰু দুৰ্বল হৈ 'পৰিল। ইংলেণ্ডৰ প্ৰতিপত্তি বহু পৰিমাণে হ্ৰাস পালে।

প্ৰথম বিশ্বযুদ্ধৰ শেষত 45 দেশত সংঘটিত হোৱা বলছেভিক বিপ্লবে পৰৱৰ্তীকালত ছোভিয়েট বাচিয়াৰূপে প্ৰতিভাত হৈ বৃহৎ শক্তি হিচাপে পৰিগণিত হ'ল। বিশ্বযুদ্ধৰ পিছৰেপৰা বিশ্ব বাজনীতিত আমেৰিকা যুক্তৰাষ্ট্ৰ অত্যন্ত ক্ৰিয়াশীল হৈ পৰিল। বিশ্বযুদ্ধখনৰ পিছত জাপানবো শক্তি বৃদ্ধি পাবলৈ ধৰে আৰু অতি সোনকালেই বিশ্বৰ এক বৃহৎ শক্তিত পৰিণত হ'ল।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত যুদ্ধত লিপ্ত দেশসমূহৰ ভিতৰত কেৱল দুখন দেশহে বৃহৎ ৰাষ্ট্ৰৰ মৰ্যদাৰ গণ্ডী চেৰাই শীৰ্ষ ক্ষমতাৰ অধিকাৰী হ'ল। এই ৰাষ্ট্ৰদুখন হ'ল ছোভিয়েট বাচিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছত পূৰ্ব ইউৰোপত ছোভিয়েট বাচিয়া ৰাজনৈতিক মতাদৰ্শগত সম্প্ৰসাৰণে আমেৰিকা যুক্তৰাষ্ট্ৰ আদি পুঁজিবাদী শিৱিৰত আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। সেইবাবে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত পুঁজিবাদী শিৱিৰত ছোভিয়েটক প্ৰতিবোধ কৰাব প্ৰয়োজনতেই শীতল যুদ্ধৰ সূচনা হয়। প্ৰধানকৈ গ্ৰীচ আৰু তুৰস্কত ছোভিয়েটৰ নেতৃত্বত সাম্ভাব্য কমিউনিষ্ট অভ্যুত্থান প্ৰতিহত কৰাৰ প্ৰয়োজনতেই আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত শীতল যুদ্ধৰ আৰম্ভণি হৈছিল। শীতল যুদ্ধৰ পৰৱৰ্তী পদক্ষেপ গ্ৰহণ কৰা হয় সামৰিক শক্তি জোঁট তৈয়াৰ কৰাৰ দিশত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত উত্তৰ আটলান্টিক সন্ধি সংগঠন

নামেৰে এটি সামৰিক শক্তি জোঁট সংগঠিত কৰা হয়। ইয়াৰ সদস্য ৰাষ্ট্ৰ হ'ল— ব্ৰিটেইন, ফ্ৰান্স, বেলজিয়াম, ডেনমাৰ্ক, আইছলেণ্ড, ইটালী, হলেণ্ড, নবওৱে,পৰ্টুগাল, আমেৰিকা যুক্তৰাষ্ট্ৰ, গ্ৰীচ, তুৰষ্ক আদি।

১৯৫৫ চনৰ মে' মাহৰ ১৪ তাৰিখে ছোভিয়েট ৰাচিয়াই কমিউনিষ্ট দেশসমুহক লৈ ওৱাৰ্শ্ব' সন্ধি সংগঠন নামেৰে আন এক শক্তি জোট গঠন কৰে। এই শক্তি জোটৰ সদস্য

ৰাষ্ট্ৰসমূহ হৈছে– ফ্ৰান্স, ছোভিয়েট ৰাচিয়া, ইটালী, বুলগেৰিয়া, ছেক'শ্লোভাকিয়া, হাংগেৰী, পোলেণ্ড, ৰোমানিয়া, যুগোশ্লাভিয়া আদি।

গতিকে দেখা যায় যে দ্বিতীয় বিশ্বযুদ্ধৰ পাছত বিশ্বৰ দেশসমূহ পৰস্পৰ দুটা বিবাদমান শিৱিৰত ভাগ হৈ পৰে। তেনে অৱস্থাত ভাৰতবৰ্ষই কোনটো শিৱিৰৰ অনুগত হ'ব সেয়া আছিল এক প্ৰধান আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক প্ৰশ্ন। ভাৰতবৰ্ষই এই শিৱিৰৰ কোনো এটাতে অন্তৰ্ভুক্ত নহৈ বৰং নিজস্ব ঐতিহাসিক দৰ্শনৰ সহায়ত আৰু নিজৰ বৈদেশিক নীতিৰ পৰিচালনাৰে উক্ত পৰস্পৰ বিৰোধী কোনো এটা শিৱিৰৰ প্ৰতিয়েই কোনো ধৰণৰ শত্ৰুতা পোষণ নকৰিলে আৰু আনুগত্যও প্ৰকাশ নকৰিলে। নিজ দেশৰ বৈদেশিক নীতি স্বতন্ত্ৰভাৱে পৰিচালনা কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি ভাৰতবৰ্ষই গোষ্ঠী নিৰপেক্ষ নীতি নিৰ্ধাৰণ কৰিলে। সেই নীতি দ্বি-পাক্ষিক বা বহু-পাক্ষিক বৈদেশিক সম্পৰ্ক স্থাপন আৰু পৰিচালনাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তীকালত বিশ্ব ৰাজনৈতিক ইতিহাসত পৰিচিত সেয়াই আছিল গোষ্ঠী নিৰপেক্ষ আন্দোলন। এই আন্দোলনৰ প্ৰতি ভাৰতবৰ্ষৰ লগতে সমসাময়িক বিশ্বৰ বহুতো স্বাধীন ৰাষ্ট্ৰয়ো সমৰ্থন জনাইছিল। এইটোৱেই আছিল গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ বিশেষ ঐতিহাসিক পটভূমি।

**প্ৰশ্ন ২। কি ঐতিহাসিক পৰিস্থিতিত গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি উঠিছিল আলোচনা কৰা।**

**উত্তৰ :-** দ্বিতীয় বিশ্বযুদ্ধৰ পাছত ছোভিয়েট বাচিয়া আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই শীৰ্ষ ক্ষমতাৰ অধিকাৰী দেশৰূপে পৰিগণিত হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে আমেৰিকা যুক্তৰাষ্ট্ৰ আণবিক শক্তিৰ অধিকাৰী দেশৰূপে পৰিগণিত হয়। এই শক্তিৰ সহায় নিজৰ সামৰিক শক্তিৰ পৰিচয় দিয়াৰ লগতে আনকো ভীতি সন্ত্ৰস্ত কৰি বিশ্ব ৰাজনীতিত নিজৰ আধিপত্য স্থাপন কৰে। ই আছিল বিশ্বৰ বৃহৎ শক্তিসমূহ। মাজত পৰস্পৰ বিৰোধী মতাদৰ্শ আৰু এই মতাদৰ্শৰ সহায়ত নিজ নিজ বৈদেশিক নীতি পৰিচালনা কৰাৰ ফলতেই শীতল যুদ্ধৰ সৃষ্টি হয়।

কেইগৰাকীমান ঐতিহাসিক আৰু বিশ্ব ৰাজনীতিৰ বিশেষজ্ঞৰ মতে ১৯১৭ চন বলছেভিক বিপ্লৱৰ পিছৰপৰাই বিশ্ব ৰাজনীতিত শীতল যুদ্ধৰ সূচনা হয়। এই বিপ্লৱৰ ফলতেই ছোভিয়েট ৰাষ্ট্ৰ ব্যৱস্থা তৈয়াৰ হোৱাৰ লগে লগে ছোভিয়েট” ৰাচিয়াত সেই বিপ্লৱ দমন কৰি তাত পূৰ্বৰ অৱস্থা বাহাল ৰাখিবলৈ ব্ৰিটেইনে বৈদেশিক সামৰিক হস্তক্ষেপ আৰম্ভ কৰে। ইয়াৰ লগে লগে কমিউনিষ্ট ৰাষ্ট্ৰ ব্যৱস্থা আৰু পুঁজিবাদী ৰাষ্ট্ৰ ব্যৱস্থাৰ মাজত মতাদৰ্শগত সংঘৰ্ষৰ সৃষ্টি হৈছিল সমূহ পুঁজিবাদী ৰাষ্ট্ৰৰ মাজত এখন সমাজতান্ত্ৰিক ৰাষ্ট্ৰ বৰ্তি থকাটো অতি জটিল ৰাজনৈতিক সমস্যা আছিল। ছোভিয়েট ৰাচিয়াই শিল্প, শিক্ষা, কৃষি, অৰ্থনীতি, বাণিজ্য আৰু সামৰিক সকলো দিশতে যি ধৰণৰ পাৰদৰ্শিতা দেখুৱাইছিল. সেইবোৰে বিশ্বৰ পুঁজিপতি দেশসমূহক স্তম্ভিত আৰু শংকিত কৰি তুলিছিল।

প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ছোভিয়েটৰ অনুপ্ৰৱেশ প্ৰতিহত কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰই হিৰ'চিমা আৰু নাগাচাকিত আণৱিক বোমা বিস্ফোৰণ ঘটাইছিল।

আমেৰিকা যুক্তৰাষ্ট্ৰই বিশেষকৈ ইটালী আৰু পশ্চিম জাৰ্মানী আদি যুদ্ধ বিধ্বস্ত ইউৰোপৰ দেশসমূহৰ প্ৰতি মাৰ্ছাল প্লেনৰ অধীনত আৰ্থিক সাহায্য দিয়াৰ নীতি লৈ পিছত উত্তৰ আটলাণ্টিক সামৰিক শক্তি জোঁটৰ গঠন কৰে। ১৯৪৭ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰই মাৰ্ছাল প্লেনৰ জৰিয়তে ব্ৰিটেইন, ফ্ৰান্স, ইটালী, বেলজিয়াম আৰু পশ্চিম জাৰ্মানী আদি দেশৰ অৰ্থনৈতিক পুনৰ গঠন প্ৰক্ৰিয়াক শক্তি প্ৰদান কৰিবলৈ বহু কোটি ডলাৰৰ আৰ্থিক সাহায্য আগবঢ়াইছিল। এই ব্যৱস্থা কমিউনিষ্ট সম্প্ৰসাৰণে সৃষ্টি কৰা: ভীতি প্ৰতিহত কৰিবলৈ লোৱা হৈছিল।

ইয়াৰ পিছত আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৪৯ চনৰ এপ্ৰিল মাহৰ ৪ তাৰিখে ওৱাছিংটনত উত্তৰ আটলান্টিক সন্ধি সংগঠন নামে এটি সামৰিক শক্তি জোঁট গঠন কৰে। এই সামৰিক শক্তি জোঁটটোৱে বিশ্বৰ পুঁজিপতি দেশসমূহক সংগঠন কৰে।

১৯৫৫ চনৰ মে' মাহৰ ১৪ তাৰিখে ছোভিয়েট ৰাচিয়াৰ নেতৃত্বত পূৰ্ব ইউৰোপৰ কমিউনিষ্ট ৰাষ্ট্ৰসমূহক লৈ ওৱাৰশ্ব' সন্ধি সংগঠন গঠন কৰা হয়। ইয়াত এটা কমিনফৰ্ম অৰ্থাৎ কমিউনিষ্ট তথ্য সৰবৰাহ কেন্দ্ৰও খোলা হয়।

১৯৪৯ চনৰ আগলৈকে আণৱিক শক্তিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ একা টিয়া অধিকাৰ আছিল। ১৯৪৯ চনত ছোভিয়েট ৰাচিয়াই আণৱিক বোমা তৈয়াৰ কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ সেই অধিকাৰ খৰ্ব কৰে। সেই বছৰতে চীন দেশত কমিউনিষ্ট শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন হয়। প্ৰশান্ত মহাসগাৰীয় অঞ্চল তথা সুদূৰ প্ৰাচ্যত সংঘটিত হোৱা এই ৰাজনৈতিক ঘটনাই আমেৰিকাৰ বাবে উৎকণ্ঠাৰ আন এক কাৰণ হৈ পৰে। ১৯৫২ চনত আমেৰিকা যুক্তৰাষ্ট্ৰই হাইড্ৰজেন বোমা তৈয়াৰ কৰে। তাৰ পিছৰ বছৰত ছোভিয়েট ৰাচিয়াই হাইড্ৰ'জেন বোমা বৈ কৰে।

পৰৱৰ্তীকালত বিশ্বৰ বিভিন্ন দেশত কমিউনিষ্ট শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন হয়। ছোভিয়েট ৰাচিয়াই এই দেশবোৰৰ প্ৰাত সমৰ্থন আগবঢ়াৱাত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াৰ মাজত শীতল যুদ্ধখন অতি তীব্ৰতৰ হৈ পৰে।

গতিকে দেখা যায় যে দ্বিতীয় বিশ্বযুদ্ধৰ পৰৱৰ্তীকালত বিশ্বৰ দেশসমূহ পৰস্পৰ দুটি বিবাদমান শিৱিৰত বিভক্ত হৈ পৰে। তেনে অৱস্থাত ভাৰতবৰ্ষৰদৰে সদ্য স্বাধীনতা প্ৰাপ্ত তৃতীয় বিশ্বৰ দেশসমূহৰ বাবে উক্ত পৰস্পৰ বিৰোধী শিৱিৰসমূহৰ কোনটোত অনুগত হ'ব সেইটো আছিল এক প্ৰধান আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক প্ৰশ্ন। ভাৰতবৰ্ষই উক্ত শিৱিৰসমূহৰ

কোনো এটাতে অন্তৰ্ভুক্ত নহৈ নিজস্ব ঐতিহাসিক দৰ্শনৰ ভিত্তিত নিজৰ বৈদেশিক নীতি স্বতন্ত্ৰভাৱে পৰিচালনা কৰাৰ বাবে গোষ্ঠী নিৰপেক্ষ নীতি নিৰ্ধাৰণ কৰে।

**প্ৰশ্ন ৩। শীতল যুদ্ধ কাক বোলে? কেতিয়া শীতল যুদ্ধৰ অৱসান ঘটিছে ?**

**উত্তৰ :-** প্ৰত্যক্ষ সামৰিক সংঘৰ্ষত চামিল নোহোৱাকৈ প্ৰতিনিয়ত ৰাজনৈতিক মতাদৰ্শগত সংগ্ৰামত আৰু প্ৰতিৰক্ষামূলক আঁৰু আক্ৰমণাত্মক দিশত খৰতকীয়াকৈ ব্যৱহাৰ কৰিব পৰাকৈ নিত্য নতুন অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ কৰি সামৰিক উত্তেজনা আৰু প্ৰতিযোগিতাত লিপ্ত থকাকে শীতল যুদ্ধ বুলি ক'ব পাৰি। আন্তঃৰাষ্ট্ৰীয় কূটনৈতিক সম্পৰ্কৰ বিশেষজ্ঞ এজনে শীতল যুদ্ধৰ সূত্ৰ এইদৰে নিৰ্ধাৰণ কৰিছে, A state of intensive competition, political, economic and ideological, which yet falls below the threshold of armed conflict between states" প্ৰকৃততে ক'বলৈ গ'লে শীতল যুদ্ধ হ'ল এফালে বিশ্বৰ পুঁজিপতি দেশসমূহৰ হৈ আমেৰিকা যুক্তৰাষ্ট্ৰ আনফালে ছোভিয়েট ৰাচিয়াৰ নেতৃত্বত পূৰ্ব ইউৰোপৰ কমিউনিষ্ট দেশসমূহৰ মাজত গঢ়ি উঠা ৰাজনৈতিক মতাদৰ্শগত সংগ্ৰাম আৰু সামৰিক উত্তেজনা আৰু সংঘৰ্ষ।

শীতল যুদ্ধ শব্দটোৰ পোন প্ৰথম স্ৰষ্টা হ'ল ওৱাণ্টাৰ লিপ্‌মেন। তেওঁ দ্বিতীয় বিশ্বযুদ্ধৰ পিছৰ আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াৰ মাজৰ দ্বি-পাক্ষিক সম্পৰ্কৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক ইতিহাসত শীতল যুদ্ধ বোলা ব্যাক্যাংশৰ সৃষ্টি কৰিছে। কোনো কোনোৱে এই বাক্যাংশৰ স্ৰষ্টা হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাৰ্ণাড মানেছ বাৰুখৰ নামো ল'ব খোঁজে।

জাকাৰ্টাত অনুষ্ঠিত শীৰ্ষ সন্মিলনৰ সময়ত বিশ্বত শীতল যুদ্ধৰ অৱসান ঘটিছে। এফালে ছোভিয়েট ৰাষ্ট্ৰ ব্যৱস্থাৰ বিলুপ্তি ঘটাৰ লগতে ভাৰতবৰ্ষ আদি দেশেও আণৱিক অস্ত্ৰ তথা শক্তিৰ অধিকাৰী হোৱাত বিস্তৃত পাৰমাণৱিক যুদ্ধৰ ভয়াবহতা বহু পৰিমাণে কমি আহিছে। ছোভিয়েট ৰাচিয়াৰ বিলুপ্তি ঘটাৰ পিছৰপৰাই বিশ্ব ৰাজনীতিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত একক ৰাজনৈতিক মেৰূ-কৰণ ব্যৱস্থাৰ আৰম্ভ হৈছে। এই পৰিণতি আকৌ স্বাধীন আৰু অৰ্থনৈতিক আৰু সামৰিকভাৱে দুৰ্বল ৰাষ্ট্ৰসমূহৰ বাবে বিপদৰ কাৰণ হৈ পৰিছে। ফলস্বৰূপে বিশ্ব ৰাজনীতিত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ গুৰুত্ব বৃদ্ধি পাইছে। গোষ্ঠী নিৰপেক্ষ আন্দোলনে বিশ্বত সংঘটিত ভালেমান যুদ্ধক বিশ্বযুদ্ধলৈ উন্নীত হোৱাত বাধা প্ৰদান কৰি সেইবিলাকক একোটা নিৰ্দিষ্ট এলেকাত সীমাবদ্ধ কৰি ৰাখিবলৈ সক্ষম হৈছে। মুঠতে ক'ব পাৰি যে শীতল যুদ্ধৰ সৃষ্টি হোৱাৰ পৰিণতিতে বিশ্বত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ সূত্ৰপাত হৈছিল আৰু গোষ্ঠী নিৰপেক্ষ আন্দোলনে শীতল যুদ্ধ প্ৰশমিত কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছিল।

**প্ৰশ্ন ৪। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ লক্ষ্য আৰু আদৰ্শ সম্পৰ্কে আলোচনা কৰা।**

**উত্তৰ :-** ভাৰতবৰ্ষই নিজ দেশৰ বৈদেশিক নীতিৰ আধাৰত গোষ্ঠী নিৰপেক্ষ নীতিব লক্ষ্য আৰু আদৰ্শসমূহ গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন চলি থকাৰ সময়তে ৰুচ দেশত ১৯১৭ চনৰ অক্টোৱৰ মাহত সমাজতান্ত্ৰিক বিপ্লৱ সংঘটিত হৈছিল। তেতিয়াৰেপৰাই বিশ্বৰ প্ৰধান দেশসমূহ কম-বেছি পৰিমাণে বুটা পৰস্পৰ বিৰোধী ৰাজনৈতিক শিৱিৰত বিভক্ত হৈ পৰিছিল। ব্ৰিটেইন, ফ্ৰান্স, আমেৰিকা যুক্তৰাষ্ট্ৰ আদি পুঁজিবাদী দেশসমূহ আছিল পুঁজিবাদী শিৱিৰত আৰু আনহাতে সমাজতান্ত্ৰিক দেশ ছোভিয়েট বাচিয়া আৰু সেই দেশৰ প্ৰতি অনুগত আৰু সহানুভূতিশীল ৰাষ্ট্ৰসমূহ আছিল সমাজবাদী শিৰিবত। ভাবতবৰ্ষকে ধৰি বশ্বৰ সদ্য স্বাধীন দেশসমূহ উক্ত দুয়োটা শিৱিবৰ কোনো এটাৰে সদস্যভূক্ত নহৈ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত লাহে লাহে অন্য এক তৃতীয় শিৱিৰ গঢ়ি তোলাৰ পাষকতা কৰে।

এই তিনিটা শিৱিৰক আকৌ প্ৰথম বিশ্ব (পুঁজিবাদী শিৱিৰ), দ্বিতীয় বিশ্ব সমাজবাদী শিৱিব) আৰু তৃতীয় বিশ্ব (সদ্য স্বাধীন দেশসমূহ) আদি বুলিও কোৱা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়েৰেপৰা দ্বিতীয় বিশ্বৰ প্ৰভাৱ দ্ৰুতভাৱে বৃদ্ধি পাই মাহিছিল। পূৰ্ব ইউৰোপৰ ভালেমান দেশত কমিউনিষ্ট শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হছিল, ফলত দ্বিতীয় বিশ্বৰ সম্প্ৰসাৰণ ঘটিছিল। ১৯৪৯ চনত চীন দেশত আৰু ১৯৫৯ চনত কিউবাত কমিউনিষ্ট শাসন ব্যৱস্থাৰ প্ৰবৰ্তন হোৱাৰ লগে লগে দ্বতীয় বিশ্বৰ পৰিসৰ আৰু শক্তি যথেষ্ট বৃদ্ধি পায়। ইয়াৰ কাৰণ হৈছে সমাজবাদী ৰাষ্ট্ৰসমূহে ঔপনিৱেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ বিৰোধিতা কৰি আহিছিল।

গতিকে ক'ব পাৰি যে ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ কৱলৰপৰা স্বাধীনতা লাভ কৰা দেশসমূহক তৃতীয় বিশ্বৰ দেশ বুলি কোৱা হয়। ছোভিয়েট ৰাচিয়াৰ অভ্যুদয়ৰ সময়ৰপৰাই পুঁজিবাদী সাম্ৰাজ্যবাদী শিৱিৰৰ মাজত চলি অহা ৰাজনৈতিক মতাদৰ্শৰ সংগ্ৰাম, সংশয়, অবিশ্বাস আৰু সন্দেহৰ ফলত দুয়োটা শৰিবৰ মাজত শীতল যুদ্ধ সৃষ্টি হৈছিল। এই শীতল যুদ্ধক কেন্দ্ৰ কৰি বিশ্বৰ বভিন্ন দেশৰ মাজত এফালে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আনফালে ছোভিয়েট ৰাচিয়াক কেন্দ্ৰ কৰি ৰাজনৈতিক মেৰুকৰণ প্ৰক্ৰিয়াৰ সূচনা হৈছিল। উক্ত ৰাষ্ট্ৰসমূহ নিজ নিজ দেশৰ প্ৰচলিত ৰাজনৈতিক মতাদৰ্শ অনুযায়ী দুটা শিৱিৰৰ ফ্ কোনো এটা শিৱিৰত সোমাই পৰিছিল। কিন্তু ঔপনিৱেশিকতাবাদ আৰু ৰাম্ৰাজ্যবাদৰপৰা সদ্য স্বাধীন দেশসমূহে উক্ত দুয়োটা শিৱিৰপৰা আঁতৰি থাকি নজাববীয়াকৈ গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি তুলিছিল।

ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ আধাৰ আছিল পঞ্চশীল নীতি। এই পঞ্চশীল নীতিৰ ওপৰত ভিত্তি কৰিয়েই ভাৰতবৰ্ষই নিজৰ বৈদেশিক নীতি নিৰ্ধাৰণ কৰি লৈছিল আৰু মূলতঃ ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ আৰ্হি আদৰ্শৰ ভিত্তিতেই গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি উঠিছিল।

**প্ৰশ্ন ৫। গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি তোলাত ভাৰতবৰ্ষই লোৱা ভূমিকাৰ বিষয়ে উল্লেখ কৰা।**

**উত্তৰ :-** ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ আধাৰত গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি উঠিছিল। ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ আধাৰ আছিল পঞ্চশীল নীতি। ভাৰতবৰ্ষৰ বৈদেশিক নীতিৰ প্ৰতিফলন ঘটিছিল পোনতে ১৯৫৪ চনৰ ২৯ মে'ত স্বাক্ষৰিত ভাৰত-চীন দ্বিপাক্ষিক চুক্তিত। ইয়াৰ পিছত ১৯৫৫ চনৰ ১৭–২৪ এপ্ৰিলত ইন্দোনেছিয়াৰ বান্দুঙত অনুষ্ঠিত প্ৰথম আফ্ৰো-এছীস সন্মিলনৰ বিশ্বশান্তি আৰু সহযোগিতা শীৰ্ষক ঘোষণা পত্ৰতো এই নীতিসমূহ সন্নিৱিষ্ট কৰা হৈছিল। এই সন্মিলনত এছিয়াৰ ২৩ খন আৰু আফ্ৰিকাৰ ৬ খন ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিছিল আৰু ভাৰতবৰ্ষৰ পঞ্চশীল নীতিৰ প্ৰতি তেওঁলোকৰ আনুগত্য প্ৰকাশ কৰিছিল। এই নীতিসমূহ অন্যান্য আফ্ৰো-এছীয় ৰাষ্ট্ৰৰ দ্বাৰাও সমাদৃত হৈছিল। গতিকে বান্দুং সন্মিলনেই বিশ্বত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ আৰম্ভণি বুলি ক'ব পাৰি।

ভাৰতবৰ্ষই ঔপনিৱেশিকতাবাদ আৰু সাম্ৰাজ্যবাদ বিৰোধিতাৰ নীতিক বিশ্বৰ ৰাজনৈতিক প্ৰেক্ষাপটলৈ লৈ যোৱাৰ বাবে বান্দুত পঞ্চশীল নীতিসমূহ সাম্ৰাজ্যবাদৰ কৱলৰপৰা সদ্য মুক্তিপ্ৰাপ্ত দেশসমূহৰদ্বাৰা সমাদৃত হৈছিল। উদাহৰণস্বৰূপে ভাৰতবৰ্ষই পূৰ্ব এছিয়াৰ ইন্দোনেছিয়া আৰু আফ্ৰিকাৰ লিবিয়া, টিউনিছিয়া আদি দেশৰ জনসাধাৰণে সাম্ৰাজ্যবিৰোধী যি স্বাধীনতা সংগ্ৰাম চলাইছিল তাত সমৰ্থন দিছিল। তদুপৰি পেলেষ্টাইনৰ আত্মনিয়ন্ত্ৰাৰ অধিকাৰ সম্পৰ্কত ভাৰতবৰ্ষই নিজৰ সমৰ্থন আৰু সহানুভূতি প্ৰকাশ কৰিছিল। চীনত কমিউনিষ্ট শাসন ব্যৱস্থা প্ৰতিষ্ঠিত হোৱাৰ লগে লগে ভাৰতে তাৰ প্ৰতি তৎকালেই স্বীকৃতি প্ৰদান কৰি সাহসিকতাৰ পৰিচয় দিয়াৰ লগতে নিজৰ স্বাধীন সত্বাৰ পৰিচয় দাঙি ধৰিছিল। এনেধৰণৰ কাৰ্যৰদ্বাৰা ভাৰতবৰ্ষৰ প্ৰতি বিশ্বৰ 'নিপীড়িত জনগণৰ আস্থা বৃদ্ধি পাইছিল। ফলত বান্দুং সন্মিলনত চীন-ভাৰত পঞ্চশীল নীতি সকলো দেশৰদ্বাৰা সমানেই সমাদৃত হৈছিল। গতিকে এই সন্মিলনে গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি তোলাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

সদ্য স্বাধীনতাপ্ৰাপ্ত তৃতীয় বিশ্বৰ দেশসমূহ বহুকাল ধৰি ঔপনিৱেশিক সাম্ৰাজ্যবাদী শাসন আৰু শোষণৰ কৱলত থকাৰ বাবে সেই দেশসমূহৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক অৱস্থা একেবাৰে অনুন্নত হৈ আছিল। গতিকে সাম্ৰাজ্যবাদৰপৰা মুক্তি লাভ কৰি অৰ্থনৈতিক পুনগঠন আৰু আনুষংগিক মানৱীয় দিশসমূহৰ সুষম বিকাশ আৰু উন্নয়ন সাধন কৰিবলৈ উক্ত দেশসমূহক প্ৰচুৰ অৰ্থৰ প্ৰয়োজনে দেখা দিছিল।

গতিকে সদ্য স্বাধীনতাপ্ৰাপ্ত ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক অৰ্থনৈতিক সংহতি আৰু সহযোগিতা অপাৰহাৰ্য আছিল। সেই সংহতি আৰু সহযোগিতাৰ সৃষ্টি কৰিবলৈ অনুন্নত দেশবোৰৰ বাবে এক আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ প্ৰয়োজনে দেখা দিছিল। গতিকে সদ্য স্বাধীনতাপ্ৰাপ্ত দেশসমূহৰ বাবে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰয়োজনে দেখা দিছিল। এই অৱস্থাত ইন্দোনেছিয়াৰ প্ৰেছিডেণ্ট চুকাৰ্ণোৰ আতিথ্যত অনুষ্ঠিত হোৱা বান্দুং সন্মিলনত এই ধৰণৰ এটি আন্তঃৰাষ্ট্ৰীয় সংগঠন গঢ়ি তোলাৰ সম্ভাৱনা বাস্তৱত ৰূপায়িত হৈছিল।

**প্ৰশ্ন ৬। বিশ্বত ঔপনিবেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ বিলুপ্তি ঘটোৱাত গোষ্ঠী নিৰপেক্ষ আন্দোলনে লোৱা ভূমিকাৰ বিষয়ে উল্লেখ কৰা।**

**উত্তৰ:-** বিশ্ব ৰাজনীতিত গোষ্ঠী নিবপেক্ষ আন্দোলন সংগঠিত হোৱাৰ লগে লগেই তৃতীয় বিশ্বৰ দেশসমূহত ইয়াৰ ভীষণ প্ৰভাৱ পৰা দেখা গৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ সামৰণি পৰাৰ পিছত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ বহু দেশ সাম্ৰাজ্যবাদৰ কৱলৰপৰা মুক্ত আৰু স্বাধীন হৈ পৰে। শীতল যুদ্ধই সৃষ্টি কৰা বিবাদমান শক্তি জোঁটৰ বিপৰীতে এই সদ্য স্বাধীন দেশসমূহে বিশ্বৰাজনীতিত নিজৰ প্ৰভাৱ আৰু প্ৰতিপত্তি স্থাপন কৰিবলৈ চেষ্টা চলাইছিল। উক্ত দেশসমূহে নিজৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, জনস্বাস্থ্য আদি বিভিন্ন দিশৰ বিকাশ ঘটোৱাৰ বাবে এক পাৰস্পৰিক সহযোগিতাৰ পৰিৱেশ গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। লগতে ৰাষ্ট্ৰসংঘ আদি আন্তঃৰাষ্ট্ৰীয় সংগঠনত বৃহৎ শক্তিসমূহৰ প্ৰভাৱ প্ৰতিপত্তিৰ বিপৰীতে সদ্য স্বাধীনতাপ্ৰাপ্ত অথচ ৰাজনৈতিক, অৰ্থনৈতিক, সামৰিক দিশত দুৰ্বল দেশসমূহে যাতে গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত যুটীয়াভাবে এটা ক্ৰিয়াশীল গোট হিচাপে কাম কৰিব পাৰে তাৰ বাবে সচেতনতা অৱলম্বন কৰা হৈছিল। বান্দুং সন্মিলন গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ধাৰণাটো সৃষ্টি হোৱাৰ পিছত ইয়াক আনুষ্ঠানিক আৰু সাংগঠনিক ৰূপ দিবলৈ প্ৰায় সাত বছৰতকৈও অধিককাল সময় লাগিছিল। যুগোশ্লাভিয়াৰ ৰাজধানী বেলগ্ৰেড চহৰত অনুষ্ঠিত হোৱা গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ শীৰ্ষ সন্মিলনত এখন ঘোষণাপত্ৰৰ যোগে এলানি ২৭ দফীয়া নীতি নিৰ্দেশনা গ্ৰহণ কৰা হৈছিল। সেই নীতিসমূহৰ কেইটামান প্ৰধান নীতি হ'ল—

১। সকলো ধৰণৰ ঔপনিৱেশিকতাবাদ আৰু সাম্ৰাজ্যবাদক ধিক্কাৰ দিয়া।

২। বিশ্বৰ যিকোনো দেশতে প্ৰচলিত বৰ্ণ বৈষম্যবাদক ধিক্কাৰ দিয়া।

৩। ঔপনিৱেশিকতাবাদ আৰু সাম্ৰাজ্যবাদৰ দ্বাৰা পদানত দেশসমূহৰ মুক্তি আৰু স্বাধীনতা দাবী কৰা।

৪। বিশ্বত শান্তি বজাই ৰাখিবলৈ সম্পূৰ্ণ নিৰস্ত্ৰীকৰণ কৰা।

৫। আলজেৰিয়া, এংগোলা, কংগো আৰু টিউনিছিয়াৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি সমৰ্থন দিয়া আৰু বিদেশী শক্তিসমূহক নিজ নিজ দেশৰ সামৰিক বাহিনী আঁতৰাই নিবলৈ দাবী কৰা।

৬। বিশ্বৰ মহাশক্তি জোঁট দুটাক—আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ছোভিয়েট ৰাচিয়াক—বিশ্ব শান্তি বিঘ্নিত নকৰিবলৈ সকিয়াই দিয়া।

৭। মুক্ত আৰু স্বাধীনভাবে, কোনো ধৰণৰ বাধা-বিপত্তি নোহোৱাকৈ আৰু ভীতি প্ৰদৰ্শন নকৰাকৈ সমান অধিকাৰৰ ভিত্তিত সকলো অনুন্নত দেশবে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক উন্নয়নৰ কাম কৰিবলৈ সুবিধা দিয়া ইত্যাদি।

গোষ্ঠী নিৰপেক্ষ আন্দোলনে প্ৰধানকৈ সাম্ৰাজ্যবাদ আৰু ঔপনিৱেশিকতাবাদ তৃতীয় বিশ্বৰ দেশসমূহৰ মাজত সংহতি স্থাপন কৰি নিপীড়িত মানুহৰ মুক্তি আৰু স্বাধীনতাৰ পথ মুকলি কৰাত সহায় কৰিছিল। ইয়াৰ লগতে দক্ষিণ আফ্ৰিকাৰ দৰে দেশত থকা বৰ্ণবৈষম্যবাদৰ অবসান ঘটোৱাতো বিশেষ অৰিহণা যোগাইছিল। বিশেষকৈ সদ্য স্বাধীন দেশসমূহৰ অৰ্থনৈতিক পুনৰ গঠনৰ কাম অব্যাহত ৰখা আৰু মানৱ অধিকাৰ ৰক্ষা কৰা আৰু তাৰ সম্প্ৰসাৰণ ঘটোৱাৰ ক্ষেত্ৰত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ভূমিকা লেখতলবলগীয়া।

**প্ৰশ্ন ৭। গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ ভৱিষ্যৎ সম্পৰ্কে তুমি কি ভাবা বিতং কৈ আলোচনা কৰা।**

**উত্তৰ :-** গোষ্ঠী নিৰপেক্ষ আন্দোলন গঢ়ি উঠিছিল প্ৰধানকৈ মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নেতৃত্বাধীন পুঁজিবাদী আৰু আনফালে ছোভিয়েট ৰাচিয়াৰ নেতৃত্বাধীন সমাজবাদী বিশ্বৰ মাজত সৃষ্টি হোৱা শীতল যুদ্ধক কেন্দ্ৰ কৰি। গোষ্ঠী নিবপেক্ষ আন্দোলন আছিল দুই বিবাদমান দেশৰ মাজত চলা ৰাজনৈতিক-অৰ্থনৈতিক মতাদৰ্শগত সংগ্ৰামৰ মাজত গঢ়ি উঠা কূটনৈতিক আন্দোলন।

পুঁজিবাদ সমাজবাদৰ বিকল্প হ'ব নোৱাৰে। ফলত বিশ্বত মানুহৰ ওপৰত মানুহৰ শোষণৰ অন্ত নপৰালৈকে পুঁজিবাদী আৰু সমাজবাদী ৰাজনৈতিক অৰ্থনৈতিক মতাদৰ্শৰ মাজত দ্বন্দ্ব বিৰোধ আদি চলিয়েই থাকিব। যিহেতু পুঁজিবাদী ব্যৱস্থাই সমাজত শোষণ বঞ্চনাৰ অন্ত পেলাব নোৱাৰে আৰু সেই ব্যৱস্থাৰদ্বাৰা পৰিচালিত ৰাষ্ট্ৰই নিজৰ স্বাৰ্থত সততে পৰৰাষ্ট্ৰ গ্ৰাস কৰা বা পৰৰাজ্যৰ ওপৰত নিজৰ আধিপত্য স্থাপনৰ পন্থা হাতত নোলোৱাকৈ নাথাকে সেয়ে সমাজবাদী আৰু পুঁজিবাদী ৰাজনৈতিক মতাদৰ্শৰ মাজত প্ৰতিদ্বন্দ্বিতা চলিয়েই থাকিব।

বৰ্তমান সময়ত ছোভিয়েট ৰাচিয়াৰ পতন হৈছে যদিও বিশ্বৰ পুঁজিবাদী সাম্ৰাজ্যবাদী ৰাষ্ট্ৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নেতৃত্বত সংগঠিত সামৰিক চুক্তিসমূহৰ অস্ত হোৱা নাই, বৰং সেই বিলাকৰ পৰিসৰ আৰু শক্তি বৃদ্ধিহে পাইছে। আনহাতে আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ আধিপত্যবাদী মনোভাব ত্যাগ কৰিবপৰা নাই। বিশ্বব যিকোনো দেশে নিজৰ এভাৱ আৰু প্ৰতিপত্তিৰ সম্প্ৰসাৰণ কৰিব বিচাৰে। আনহাতে আণৱিক শক্তিৰ অধিকাৰ আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ অধিকাৰত ৰাখিব বিচাৰে। শীতল যুদ্ধৰ অৱসান হ'বলৈ হ'লে বিশ্বব সকলো দেশেই নিৰস্ত্ৰীকৰণৰ নীতি মানি ল'ব লাগিব আৰু সেই নীতি সম্পূৰ্ণভাৱে বলবৎ

হ’ব লাগিব। কাৰণ ছোভিয়েট ৰাচিয়াৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ অন্ত পৰিলেও ইয়াৰ অস্ত্ৰ ভাণ্ডাৰ আজিও আছে, নাইবা আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ অস্ত্ৰ ভাণ্ডাৰ ধ্বংস কৰা নাই৷

ছোভিয়েট ৰাষ্ট্ৰ ব্যৱস্থাৰ অস্ত হ’লেও বিশ্বত কমিউনিষ্ট বা সমাজবাদী ৰাষ্ট্ৰ আজিও আছে। কিউবা, ভিয়েটনাম, উত্তৰ কোৰিয়া, চীন আদি ভালেমান কমিউনিষ্ট ৰাষ্ট্ৰ বৰ্তমানেও বিশ্বৰ বহু দুখীয়া আৰু নিপীড়িত দেশৰ মানুহৰ বাবে আদৰ্শস্বৰূপ হৈ আছে। লেটিন আমেৰিকাৰ দেশে দেশে মানুহে অৰ্থনৈতিক মুক্তি সংগ্ৰামৰ পথত অগ্ৰসৰ হৈছে আৰু এইবোৰ দেশে মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰোধিতা কৰি আহিছে।

বৰ্তমান ছোভিয়েট ৰাষ্ট্ৰব্যৱস্থাৰ পতন হ’লেও শীতল যুদ্ধৰ কালছোৱাত বৰ্তি থকা দুয়োটা পৰস্পৰ বিৰোধী সামৰিক শক্তি জোঁটৰ পতন ঘটা নাই, বৰ্তমানো মাৰ্কিন যুক্তৰাষ্ট্ৰই আগৰ দৰেই বা আগতকৈয়ো শক্তিশালী হৈয়ে বৰ্তি আছে। ছোভিয়েট ৰাষ্ট্ৰ ব্যৱস্থাৰ অস্ত পৰাৰ সময়তে ইৰাকে মানৱ বিধ্বংসী অস্ত্ৰ মজুত ৰখা বুলি ভিত্তিহীন অভিযোগ আনি আমেৰিকা যুক্তৰাষ্ট্ৰই নিজৰ সামৰিক শক্তিৰ বলত সেই দেশখন অতি নিৰ্মমভাৱে ধ্বংস কৰি পেলাইছিল। গতিকে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ ফালৰপৰা বিশ্ববাসীলৈ আহিব পৰা বিপদৰ আজিও অন্ত পৰা নাই আৰু সেইবাবে পুনৰ বিশ্বযুদ্ধৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি। এই ক্ষেত্ৰত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰাসংগিকতা আজিও আছে বুলি ক’ব পাৰি।

বৰ্তমান জাতীয় মৰ্যদাৰ প্ৰশ্নই বিশ্বৰ শক্তিশালী আৰু আৰ্থিকভাবে উন্নত দেশসমূহৰ মাজত পূৰ্বতকৈ অধিক শক্তিশালী ৰূপত প্ৰতিদ্বন্দ্বিতাৰ ভাৱ জগাই তুলিছে। এই অৱস্থাই সময়ে সময়ে দুই বা ততোধিক ৰাষ্ট্ৰক সামৰিক সন্ধি চক্তিৰ মাজেদি অন্যান্য প্ৰতিসম আৰু প্ৰতিদ্বন্দ্বী ৰাষ্ট্ৰৰ বিৰুদ্ধে সামৰিক সংঘৰ্ষত ॥লপ্ত হ’বলৈ প্ৰৰোচিত কৰিব বুলি ক’ব পাৰি। এনে ধৰণৰ ৰাষ্ট্ৰ জোঁটক নিয়ন্ত্ৰণ কৰাটো ৰাষ্ট্ৰসংঘৰ প্ৰতি অসম্ভৱ হৈ পৰিব। মাৰ্কিন যুক্তৰাষ্ট্ৰৰ দ্বাৰা ইৰাক আক্ৰান্ত হোৱাৰ ঘটনাই বাষ্ট্ৰসংঘৰ ব্যৰ্থতাকে প্ৰতিপন্ন কৰে। গতিকে এনে অৱস্থাত বিশ্বত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰয়োজনীয়তাই দেখা দিব। অৱশ্যে এই ক্ষেত্ৰত গোষ্ঠী নিৰপেক্ষ আন্দোলনৰ প্ৰাসংগিকতা থাকিলেও সেই আন্দোলনক সদস্য ৰাষ্ট্ৰসমূহে কিদৰে পৰিচালিত কৰিব তাৰ ওপৰতে এই আন্দোলনৰ ভৱিষ্যৎ নিৰ্ভৰশীল হ’ব।